# Prime Minister Shri Narendra Modi and President of the Republic of Seychelles H.E. Wavel Ramkalawan jointly inaugurate a range of Development Assistance Projects at India-Seychelles High Level Virtual Event (April 8, 2021)

April 08, 2021

---

# প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ছেচেল্লেচ গণৰাজ্যৰ ৰাষ্ট্ৰপতি মাননীয় ৱেভেল ৰামকালাৱানে যুটীয়াভাৱে ভাৰত-ছেচেল্লেচ উচ্চ স্তৰ ভাৰ্চ্যুৱেল অনুষ্ঠানত উন্নয়ন সাহায্য প্ৰকল্পৰ এক পৰিসৰ উদ্বোধন কৰে (এপ্ৰিল 8, 2021)

এপ্ৰিল 08, 2021

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছেচেল্লেচৰ ৰাষ্ট্ৰপতি, মাননীয় ৱেভেল ৰালকালাৱনৰ সৈতে এক ভাৰ্চ্যুৱেল অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই ভাৰ্চ্যুৱেল অনুষ্ঠান আয়োজন কৰা হৈছিল যুটীয়া ই-উদ্বোধনীৰ বাবে বহুতি উন্নয়ন সাহায্য প্ৰকল্পৰ যি ছেচেল্লেচত ভাৰতে অৰ্থায়ন কৰিছে আৰু ছেচেল্লেচ সামুদ্ৰিক প্ৰহৰীৰ ব্যৱহাৰৰ বাবে ভাৰতে যোগান ধৰা এক দ্ৰুত তহলদাৰী জাহাজ প্ৰদান কৰিবলৈ।

এই ভাৰ্চ্যুৱেল অনুষ্ঠানত, প্ৰধান মন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি ৰামকালাৱানে যুটীয়াভাৱে ছেচেল্লেচৰ নতুন দণ্ডাধীশ ন্যায়ালয় বিল্ডিং উদ্বোধন কৰে। এই বিল্ডিংটো হৈছে ছেচেল্লেচত প্ৰথম ভাৰতীয় সাহায্যৰ আন্তঃগাঁথনি আৰু ভাৰত চৰকাৰৰ পৰা 3.5 নিযুত মাৰ্কিন ডলাৰৰ অনুদান সাহায্যৰে সম্পূৰ্ণ কৰা হৈছে। ছেচেল্লেচৰ ৰাজধানী চহৰ ভিক্টৰিয়াৰ মাজত স্থিত, এক অধুনিক ৰূপাঙ্কণ আৰু উচ্চ মানদণ্ডৰে নিৰ্মিত, দণ্ডাধীশ ন্যায়ালয়ে ছেচেল্লেচৰ ন্যায় প্ৰণালীৰ ক্ষমতা গুৰুত্বপূৰ্ণভাৱে বৃদ্ধি কৰিব আৰু দুয়োখন দেশৰ দ্বিপক্ষীয় সহযোগিতাৰ এক বৈশিষ্ট চিহ্ন হ'ব।

প্ৰধান মন্ত্ৰী শ্ৰী নৰেদ্ৰ মোদীয়ে এখন 48.9 এম দ্ৰুত তহলদাৰী জাহাজ (এফপিভি) প্ৰদান কৰে ছেচেল্লেচৰ ৰাষ্ট্ৰপতিক এই ভাৰ্চ্যুৱেল অনুষ্ঠানত। এই এফপিভি, যি কলকাতাৰ এম/এছ জিআৰএছই-য়ে নিৰ্মাণ কৰিছে 100 কোটি ভাৰতীয় টকাত, ছেচেল্লেচক উপহাৰ দিয়া হৈছে ভাৰতীয় অনুদান সাহায্যৰ অধীনত ইয়াৰ সামুদ্ৰিক তহলদাৰী ক্ষমতা শক্তিশালী কৰাৰ জৰুৰী প্ৰয়োজন পূৰণ কৰাৰ বাবে। এই অত্যাধুনিক জাহাজে ছেচেল্লেচ সামুদ্ৰিক প্ৰহৰীয়ৰ ক্ষমতা গুৰুত্বপূৰ্ণভাৱে বৃদ্ধি কৰিব ইয়াৰ বিশাল সামুদ্ৰিক স্থান তহলদাৰী আৰু সুৰক্ষিত কৰাত আৰু ছেচেল্লেচৰ জলত সামুদ্ৰিক দৈস্যু, ড্ৰাগছ আৰু অস্ত্ৰৰ চোৰাং বেপাৰ আৰু বে-আইনী মাছ মৰাৰ প্ৰত্যাহ্বানসমূহৰ সৈতে যুঁজিবলৈ সহায় কৰিব। এই জাহাজখনৰ যোগান ধৰা হৈছে এক প্ৰতিক সামুদ্ৰিক সুৰক্ষাৰ ক্ষেত্ৰত ভাৰত আৰু ছেচেল্লেচৰ মাজৰ দীৰ্ঘদিনীয়া আৰু গভীৰ সহযোগিতাৰ আৰু ছেচেল্লেচৰ এক বিশ্বাসী আৰু বাঞ্চনীয় অংশীদাৰ হিচাপে ভাৰতৰ ভূমিকাৰ।

এই উপলক্ষত, প্ৰধান মন্ত্ৰী আৰু ছেচেল্লেচৰ ৰাষ্ট্ৰপতিয়ে যুটীয়াভাৱে এক 1 এমডাব্লিউ ভূমি স্থিত শক্তি কল ই-মুকলি কৰে যি ভাৰতীয় অনুদান সাহায্যৰে ছেচেল্লেচৰ ৰমেইনভিল দ্বীপত নিৰ্মাণ কৰা হৈছে। ছেচেল্লেচত দহটা (10) ভাৰতীয় উচ্চ প্ৰভাৱ সম্প্ৰদায় উন্নয়ন প্ৰকল্পও (এইছআইচিডিপি) দুইজন বিশিষ্ট ব্যক্তিয়ে ই-মুকলি কৰে।

উপলক্ষটোত ভাষণ দি, প্ৰধান মন্ত্ৰী মোদীয়ে মানৱ ভিত্তিক আন্তঃগাঁথনি প্ৰকল্পবোৰত উন্নয়ন অংশীদাৰীত্বৰ গুৰুত্ব উল্লেখ কৰে ছেচেল্লেচৰ সৈতে সহযোগিতা আগলৈ শক্তিশালী কৰাত। প্ৰধান মন্ত্ৰীয়ে উল্লেখ কৰে যে আধুনিক ৰূপাঙ্কণ আৰু অত্যাধুনিক সুবিধাসমূহৰ সৈতে নিৰ্মিত নতুন দণ্ডাধীশৰ

ন্যায়ালয়টোৰে এক উচিত আসন হিচাপে কাৰ্য কৰিব ছেচেল্লেচৰ জনগণক ন্যায়িক সেৱা প্ৰদান কৰাত৷ প্ৰধান মন্ত্ৰীয়ে কয় যে ছেচেল্লেচলৈ এক দ্ৰুত তহলদাৰী জাহাজৰ উপহাৰে ভাৰতৰ প্ৰতিশ্ৰুতি প্ৰদৰ্শন কৰে ছেচেল্লেচৰ নিজৰ ক্ষমতা শক্তিশালী কৰাৰ নিজৰ সামুদ্ৰিক স্থান ৰক্ষা আৰু নিৰীক্ষণ কৰাৰ৷

ৰাষ্ট্ৰপতি ৰেভেল ৰালকালাৱানে নিজৰ গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰে ভাৰতৰ অবিচ্ছিন্ন সমৰ্থনৰ বাবে ছেচেল্লেচৰ সুৰক্ষা আৰু উন্নয়নৰ প্ৰয়োজনসমূহ পূৰণ কৰাত যি এক প্ৰতিচ্ছবি দুয়োখন দেশৰ মাজৰ শক্তিশালী আৰু ঘনিষ্ঠ সম্পৰ্কৰ৷

নতুন দণ্ডাধীশৰ ন্যায়ালয় বিল্ডিংৰ ই-মুকলি, 1 এমডাব্লিউ শক্তি কল, এইছআইচিডিপি আৰু এফপিভি প্ৰদানে প্ৰদৰ্শন কৰে ভাৰতৰ অটল ভূমিকা ছেচেল্লেচৰ এক দীৰ্ঘদিনীয়া আৰু বিশ্বাসযোগ্য অংশীদাৰ হিচাপে আৰু দ্বিপক্ষীয় সম্পৰ্ক গভীৰ কৰাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিৰ৷

উপলক্ষটোত প্ৰদৰ্শন কৰা সহযোগিতা প্ৰকল্পসমূহ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সাগৰ - অঞ্চলটোৰ সকলোলৈ সুৰক্ষা আৰু বিকাশ'ৰ দৰ্শনৰ সৈতে সংহতি ৰখা৷

**নতুন দিল্লী**
**এপ্ৰিল 08, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.